No. of Printed Pages—2

41N (ASK)

[21 HRKP1SN-22A]

MA 1st Semester (New) Exam., 2021 (W)

ASSAMESE

(অসমীয়া কবিতা)

[PGAS S1 02]

Full Marks : 70/80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Note : *(a)* Learners admitted in 2020 and 2021 are to answer *70* Marks (Question Nos. **1** to **4**).

(b) Learners admitted in and before 2019 are to answer all the questions (Question Nos. **1** to **5**), i.e., for *80* Marks.

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) জিকিৰ গীত কাক বোলে? ইয়াৰ ভাগবোৰ কি কি? উল্লেখ কৰক।

(b) বৰগীতৰ দুটি বৈশিষ্ট্য লিখক।

(c) চতুৰ্দশপদী কবিতা কাক বোলে?

(d) কুমাৰ অন্তৰহিলে ৰহস্যবাদৰ আধ্যাত্মিক যাত্ৰাক কি কি স্তৰত ভাগ কৰিছে?

(e) হীৰেণ ভট্টাচাৰ্যৰ কবিতাটিত 'লখিমী' নামটোৱে কি বুজাইছে?

(f) ছুফীবাদ মানে কি?

2. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) : 3×4=12

(a) ''ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহ
যৈচন গগন বিয়াপী''

পাঠৰ আধাৰত কবিতাফাঁকিৰ তাৎপৰ্য বিচাৰ কৰক।

(Turn Over)

(b) 'মধ্যযুগ প্রীতি' আৰু 'সর্বসাধাৰণৰ জীৱন চর্যাৰ প্রতি আকর্ষণ'—ৰমণ্যাসিক কবিতাৰ উক্ত দুটি বৈশিষ্ট্যৰ বিষয়ে আলোকপাত কৰক।

(c) ''—প্রথমে জগালোঁ ময়ে তন্দ্রালসা গাভৰুক মনোৰমা! হিয়াৰ তোমাৰ।''
বুলি কবিয়ে কেনেদৰে কলঙৰ পাৰৰ মাজ নিশাৰ যুগ্মপ্রেমৰ এখনি যৌৱন উদ্বেলিত ছবি প্রকাশিত কৰিছে, পাঠৰ আধাৰত বুজাই লিখক।

(d) পাশ্চাত্যত সংঘটিত হোৱা কেনেধৰণৰ ঘটনা-পৰিঘটনাকল্পে আধুনিক কবিতাই গা কৰি উঠিছিল? চমুকৈ লিখক।

(e) ''বুদ্ধৰ জ্ঞান আৰু দর্শনে যি অন্তর্দৃষ্টিৰ সন্ধান কৰিছে তাৰো মূল্যায়ন কৰা হৈছে।''
'বোধিদ্রুমৰ খৰি' কবিতাটিত কেনেদৰে কবিয়ে ইয়াৰ উপলব্ধি কৰিছে, ব্যাখ্যা কৰক।

3. তলৰ যি কোনো **চাৰিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ২০০ শব্দৰ ভিতৰত) : 6×4=24

(a) দেহবিচাৰৰ গীত সম্পর্কে আপোনাৰ ধাৰণা কি? এই শ্রেণীৰ গীতৰ আধ্যাত্মিক তাৎপর্য বিচাৰ কৰক।

(b) অসমীয়া কবিতাৰ ইতিহাসত হেমচন্দ্র গোস্বামীৰ স্থান নির্ণয় কৰক।

(c) 'নাটঘৰ' কবিতাটিত প্রতিফলিত হোৱা ৰহস্যবাদী চেতনা সম্পর্কে আলোচনা কৰক।

(d) অমূল্য বৰুৱাৰ 'বেশ্যা' কবিতাটিত সমাজৰ দ্বাৰা ঘৃণিত নাৰীগৰাকীৰ দৃষ্টিত সমাজখনে কেনে ৰূপত ধৰা দিছে? আপোনাৰ মতামত ব্যাখ্যা কৰক।

(e) নীলমণি ফুকনৰ 'গৌৰীনাথ আহিব' কবিতাৰ ভাৱবস্তুৰ এটি বিশ্লেষণ আগবঢ়াওক।

4. তলৰ যি কোনো **তিনিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ২৫০ শব্দৰ ভিতৰত) : 8×3=24

(a) চর্যাপদসমূহৰ মাজেৰে কেনেদৰে সাহিত্যিক সৌন্দর্য প্রতিফলিত হৈছে, পর্যালোচনা কৰক।

(b) মাধৱ কন্দলিৰ অনুবাদ-ৰীতি সম্পর্কে এটি আলোচনা আগবঢ়াওক।

(c) দুৱৰাৰ কবিতাত 'পাহৰণিতত্ত্ব' কিদৰে ফুটি উঠিছে, বিশ্লেষণ কৰি দেখুৱাওক।

(d) আধুনিক কবিতাত ভাষাৰ গুৰুত্ব কেনেধৰণৰ, নীলমণি ফুকনৰ 'গৌৰীনাথ আহিব' কবিতাটিৰ জৰিয়তে ব্যাখ্যা আগবঢ়াওক।

The following question is *NOT* for the learners admitted in 2020 and 2021 batches :

5. তলৰ যি কোনো **এটা** প্রশ্নৰ উত্তৰ লিখক (প্রায় ৩০০ শব্দৰ ভিতৰত) : 10

(a) হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাৰ আধাৰত হেম বৰুৱাৰ কবিতা সম্বন্ধে লিখক।

(b) চন্দ্রকুমাৰ আগৰৱালাৰ 'বীণ-ব'ৰাগী' কবিতাত ৰমণ্যাসবাদৰ লক্ষণসমূহ কিদৰে পৰিস্ফুট হৈ উঠিছে, আলোচনা কৰক।

★ ★ ★